**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

000000

১।	বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান আকৰ্ষণীয় পৰ্যায়ত। বিজেপিৰ হৈ আজি অমিত শ্বাহৰ ঢেকীয়াজুলি আৰু চামতাত নিৰ্বাচনী সভা। নাওবৈচা আৰু খাৰকাতিত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ প্ৰচাৰ।

২।	ৰাজ্যত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি।

৩।	আকাশবাণীযোগে আজি দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰীৰ **মন কী বাত** অনুষ্ঠান।

৪।	চলিত বৰ্ষৰ হজ যাত্ৰাৰ বাবে বাছনি লাভ কৰা যাত্ৰীসকলক ৩১ মাৰ্চৰ ভিতৰত যাৰতীয় ব্যয়ৰ ধন জমা দিয়াৰ বাবে হজ কমিটীৰ নিৰ্দেশ। **আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ জয়লাভ।

000000

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে  ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰী জিলাৰ চামতাত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। প্ৰচাৰৰ বাবে ৰাজ্যখনলৈ অহা শ্ৰীশ্বাহে কালি গুৱাহাটীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি গুৱাহাটীৰ চাৰিওটা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখৰ ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। আজি  ডিব্ৰুগড় তেওঁ প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত ৰাজ্যৰ বিভিন্ন স্থানত প্ৰচাৰ চলাব।

একেদৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে আজি বিৰোধী প্ৰাৰ্থীৰ হৈ প্ৰচাৰৰ বাবে অসমলৈ আহিব। তেওঁ নাওবৈচা আৰু খাৰকাতিত প্ৰচাৰ চলাব। লখিমপুৰত শ্ৰীখাৰ্গেই বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰিব। আজি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত বিজেপিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত দলৰ ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষে অধ্যক্ষতা কৰিব। তেওঁ পলাশবাৰী, নগাওঁ আৰু যোৰহাটকে ধৰি কেইবাখনো জিলাৰ বিভিন্ন স্থানত সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ডিব্ৰুগড়ত সাংগঠনিক সভাত উপস্থিত থাকিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি বঙাইগাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিজনী, তামুলপুৰ আৰু ছিপাঝাৰত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজয় সংকল্প সভাত ভাগ লয়। বাক্সাৰ কদমতলাত কালি বি পি এফৰ

প্ৰাৰ্থী মনেশ্বৰ ব্ৰহ্মৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী তৌখান চাহুৰে প্ৰচাৰ চলায়। ৰঙিয়াত কালি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিজেপি প্ৰাৰ্থী ভৱেশ কলিতাৰ হৈ নিৰ্বচনী সভাত অংশগ্ৰহণ কৰে।

*বাইট ঃ শিৱৰাজ সিং চৌহান*

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে তিতাবৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশগ্ৰহণ কৰে। তেওঁ ৰাইজৰ দলৰ প্ৰাৰ্থী জ্ঞানশ্ৰী বৰাক লৈ মৰিয়নীত বিশাল পদযাত্ৰাৰে প্ৰচাৰ চলায়। আনহাতে শিৱসাগৰৰ হাহচৰাত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। কালি শ্ৰীৰামপুৰৰ হাড়াপুটাত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে জে এম এমৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে।

০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

**যোৰহাট** জিলা নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত কালি দ্বিতীয় আৰু তৃতীয় স্তৰৰ প'লিং বিষয়াসকলৰ বিশেষ প্ৰশিক্ষণ সম্পন্ন হয়। চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় আৰু দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ অভিজ্ঞ মুখ্য প্ৰশিক্ষকসকলে প'লিং বিষয়াসকলক ভোটগ্ৰহণৰ বিভিন্ন কাৰিকৰী দিশ আৰু ই ভি এম, ভি ভি পেট যন্ত্ৰৰ ব্যৱহাৰ আৰু পৰিচালনা সন্দৰ্ভত অৱগত কৰে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় শিৱানীয়ে জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টিৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে ডাক বেলট পেপাৰ মুদ্ৰণৰ কাম চলি থকা ছপাশালসমূহ পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ডাক বেলট পেপাৰ সম্পৰ্কীয় কামবোৰ স্বচ্ছতা আৰু গোপনীয়তা বজাই ৰাখি নিয়াৰিকৈ কৰিবলৈ সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিয়ে।

**ডিব্ৰুগড়** জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত কালি ভোটগ্ৰহণকাৰী বিষয়াসকলৰ এটা বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণৰ জৰিয়তে বিষয়াসকলক নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে সামগ্ৰিক জ্ঞান প্ৰদান কৰা হয়।

**বজালী** প্ৰশাসনে জিলাখনৰ ভৱানীপুৰ-সৰভোগ আৰু বজালী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীসকলৰ ব্যয়ৰ হিচাপ পৰীক্ষাৰ বাবে তিনিটা পৃথক দিন ঘোষণা কৰিছে। এই অনুসৰি ২৮ মাৰ্চ, ১ এপ্ৰিল আৰু ৬ এপ্ৰিলত সকলো প্ৰাৰ্থী বা তেওঁলোকৰ অনুমোদিত এজেণ্টসকলে ব্যয় নিৰীক্ষণ দলৰ ওচৰত ব্যয় ব্যৱস্থাপনা আৰু আনুসংগিক নথি পত্ৰ দাখিল কৰিব লাগিব।

**শ্ৰীভূমি** জিলা প্ৰশাসনে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে বিশেষ উদ্যোগ লৈছে। এই অনুসৰি নিৰ্বাচনী অনিয়ম বা আদৰ্শ আচৰণবিধি উলংঘনৰ অভিযোগ দাখিল কৰিবলৈ ফোন নম্বৰ মুকলি কৰা হৈছে। তদুপৰি চি ভিজিল এপ্লিকেচন ব্যৱহাৰ কৰি যিকোনোধৰণৰ অভিযোগ দাখিল কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জনাইছে।

**নগাঁৱ**ত কালি নিৰ্বাচনত নিয়োজিত আৰক্ষী আৰু অসামৰিক বাহিনীৰ বিষয়াসকলৰ এখন গুৰুত্বপূৰ্ণ যৌথসভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত কেইবাগৰাকীও জ্যেষ্ঠ পৰ্যবেক্ষক উপস্থিত থাকে। সভাত উপস্থিত থকা অসামৰিক মাণ্ডলিক আৰু খণ্ড বিষয়াৰ লগতে আৰক্ষী মাণ্ডলিক আৰু খণ্ড বিষয়াসকলক নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে পৰামৰ্শ দিয়ে।

**পশ্চিম কাৰ্বি আংলঙ**ত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোট গ্ৰহণত অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ভোটদাতাৰ সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে সৃজনীমূলক আৰু প্ৰভাৱশালী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এনে ব্যৱস্থাৰ অংশ

হিচাপে কালি হামৰেণৰ সাপ্তাহিক বজাৰত স্থানীয় শিল্পীসকলে সজাগতা গীত, প্ৰেৰণাদায়ক ভাষণ আৰু বাটৰ নাটেৰে ভোটদাতাসকলক আকৰ্ষিত কৰে।

**কোকৰাঝাৰ**ৰ তেলীপাৰা, ফেইলাগুৰি, শ্ৰীৰামপুৰকে ধৰি বিভিন্ন এলেকাত বিবেক ভোট আৰু সময়মতে ভোটদানৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। জিলাখনৰ হাতীধুৰা উন্নয়ন খণ্ডৰ নিৰ্বাচনী এলেকাসমূহতো এলানি সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**ধুবুৰী**ত জিলা নিৰ্বাচনী বিষয়াই ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে **শিহুৰীয়া** নামৰ শুভংকৰ মুকলি কৰিছে। জিলাখনত ছুইপ বাহনো মুকলি কৰা হৈছে।

একেদৰে **ধেমাজি** জিলাত ভোটদাতাসকলক ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে **ভাদৈ** শীৰ্ষক শুভংকৰ মুকলি কৰা হৈছে।

**দৰং** জিলা প্ৰশাসনেও **ওজা** নামৰ শুভংকৰ মুকলি কৰিছে। জিলা নিৰ্বাচনী বিষয়া আয়ুষী জৈনে কালি দৰঙৰ চহকী লোকসংগীত ওজাপালি, বৰঢোল আৰু দৰঙৰ গৌৰৱ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ এটা খঁৰ্গযুক্ত গঁড়ক প্ৰতীক ৰূপত লৈ প্ৰস্তুত কৰা এই শুভংকৰটো মুকলি কৰে। ইয়াৰ লগতে নৱপ্ৰজন্মৰ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ এটা ছেল্ফী পইণ্টো মুকলি কৰা হয়।

০০০০০০

মধ্য অসমৰ এটা গুৰুত্বপূৰ্ণ বিধান সভা সমষ্টি হৈছে ৫০ নম্বৰ মঙলদৈ বিধানসভা সমষ্টি। দৰং জিলাৰ প্ৰশাসনিক সদৰ স্থান মঙলদৈ চহৰৰ অন্তৰ্গত এই সমষ্টিটো ১৯৯১ চনত নৱম অসম বিধান সভা নিৰ্বাচনৰ সময়ত অনুসূচীত জাতিৰ বাবে সংৰক্ষণ কৰা হৈছিল। দীৰ্ঘদিনৰ অন্তত এইবাৰ সমষ্টিটো সংৰক্ষণ মুক্ত কৰা হয়। মনোনয়ন পুনৰীক্ষণ তথা প্ৰত্যাহাৰ প্ৰক্ৰিয়াৰ অন্তত সমষ্টিটোত এইবাৰ ছগৰাকী প্ৰাৰ্থী মূল নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। এওলোক ক্ৰমে ভাৰতীয় জনতা পাৰ্টিৰ নীলিমা দেৱী, ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰিজুমনি তালুকদাৰ, সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফৰ আজিজুৰ ৰহমান, তৃণমূল কংগ্ৰেছৰ হৰেকৃষ্ণ ডেকা, এছ ইউ চি আই - কমিউনিষ্ট দলৰ অজিত আচাৰ্য আৰু নিৰ্দলীয় প্ৰবীণ কুমাৰ ডেকা। এই প্ৰতিগৰাকী প্ৰাৰ্থী সমষ্টিৰ ভোটদাতাৰ বাবে নতুন মুখ। ২০২১ৰ নিৰ্বাচনত সমষ্টিটোত চাৰি গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছিল। সমষ্টিটোৰ ১ লাখ এহাজাৰ এশ এষষ্ঠী জন পুৰুষ আৰু নিৰানব্বৈ হাজাৰ দুশ ন গৰাকী মহিলা ভোটাৰকে ধৰি মুঠ ২ লাখ তিনিশ তেসত্তৰ গৰাকী ভোটাৰে অহা ৯ এপ্ৰিলৰ নিৰ্বাচনত প্ৰতিদ্বন্দী ছগৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ ফলাফললৈ যদি চোৱা যায় তেন্তে দেখা যায় যে সেইবাৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী বসন্ত দাসে ১ লাখ ১১ হাজাৰ ৩৮৬ টা ভোট পোৱাৰ বিপৰীতে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী গুৰুজ্যোতি দাসে ৮৭ হাজাৰ ৩২ টা ভোট লাভ কৰি প্ৰায় ২৪ হাজাৰ ভোটৰ ব্যৱধানত পৰাজিত হৈছিল। কিন্তু সমষ্টিৰ সীমা নিৰ্ধাৰণৰ অন্তত বৰ্তমান সমষ্টিটোৰ ভৌগোলিক আৰু জনগাঁথনিমূলক কিছু পৰিৱৰ্তন আহিছে আৰু ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ ফলাফলত তাৰ কিছু উমান পোৱা গৈছিল। লোকসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী গৰাকীয়ে পূৰ্বতকৈ অধিক ৯৬ হাজাৰ ২১৩ টা ভোট পোৱাৰ বিপৰীতে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৰাকীয়ে ৫৮ হাজাৰ ২৮৮টা ভোট লাভ কৰিছিল। সমষ্টিটোত এইবাৰ আটাইকেইগৰাকী প্ৰাৰ্থীয়ে তুমূল প্ৰতিদ্বন্দিতা আগবঢ়োইছে যদিও ৰাজনৈতিক বিশ্লেষক সকলৰ মতে মূল যুঁজখন ভাৰতীয় জনতা পাৰ্টি আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী দুগৰাকীৰ মাজতেই সীমাবদ্ধ থকাৰ সম্ভাৱনা অধিক।

সমষ্টি অৱলোকনত দৰং জিলাৰ সংবাদদাতা ময়ূখ গোস্বামীৰ সৈতে মই জিন্টিৰাণী ডেকা।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচন উপলক্ষে কালি গোৱালপাৰা আৰু মেঘালয়ৰ পশ্চিম গাৰোপাহাৰ জিলা প্ৰশাসনৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। তুৰা আৰৱ্ৰ্ত ভৱনত অনুষ্ঠিত এই বৈঠকত গোৱালপাৰা জিলাত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু পশ্চিম গাৰো পাহাৰ জিলাৰ জিলা আয়ুক্ত ভিভৱ আগৰৱালে এই বৈঠকত সীমান্ত অঞ্চলৰ ভোটকেন্দ্ৰসমূহৰ নিৰাপত্তা, বে-আইনী কাৰ্যকলাপ ৰোধ কৰা, অবৈধ সুৰা আৰু ড্ৰাগছ সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ, যান-বাহনৰ প্ৰয়োজনীয়তা আদি বিষয়ত আলোচনা কৰি পৰস্পৰে পৰস্পৰক সহায়-সহযোগিতাৰে কাম কৰি যোৱাৰ পোষকতা কৰে। এই বৈঠকত গোৱালপাৰা জিলাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, অতিৰিক্ত জিলা আয়ুক্ত নৱজিৎ পাঠক, নিৰ্বাচনী বিষয়া পল্লৱী বৰা আৰু পশ্চিম গাৰো পাহাৰ জিলাৰ আৰক্ষী অক্ষীধক আব্ৰাহাম টি চাংমা আৰু অতিৰিক্ত আয়ুক্ত নিপন হাজঙকে ধৰি কেইবাগৰাকীও প্ৰশাসনিক বিষয়া উপস্থিত থাকে। বৈঠক সন্দৰ্ভত জিলা আয়ুক্ত প্ৰদীপ টিমুঙে এইদৰে কয়—

**বাইট ঃ টিমুং**

০০০০০০

**মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ  অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰৰ উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। শ্ৰীমোদীয়ে কয়, যে এনে উন্নয়নমূলক কাম-কাজৰ বাবেই ৰাজ্যখনৰ জনসাধাৰণে দ্বৈত ইঞ্জিনৰ এন ডি এক পৰৱৰ্তী ৫ বছৰৰ বাবে পুনৰ ক্ষমতালৈ অনাৰ সিদ্ধান্ত লৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

হজ কমিটীয়ে চলিত বৰ্ষৰ হজ যাত্ৰাৰ বাবে বাছনি লাভ কৰা যাত্ৰীসকলক ৩১ মাৰ্চৰ ভিতৰত যাৱতীয় ব্যয়ৰ বাকী ধন জমা দিয়াৰ নিৰ্দেশ দিছে। এনে কৰাত ব্যৰ্থ হোৱা যাত্ৰীসকলৰ বিমান টিকট বুকিং কৰিব পৰা নাযাব বুলি কমিটীয়ে স্পষ্ট কৰি দিছে। অসম, মেঘালয়, নাগালেণ্ডকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ যুটীয়া ৰাজ্যিক হজ কমিটীৰ এগৰাকী বিষয়াই প্ৰকাশ কৰা মতে গুৱাহাটীৰ পৰা ৰাওনা হ'বলগীয়া যাত্ৰীসকলে যাত্ৰাৰ বাবদ সৰ্বাধিক ৩ লাখ ৮৯ হাজাৰ ৮৫০ টকা বহন কৰিব লাগিব।

০০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ বিচাৰৰ বাবে গঠন কৰা দ্ৰুত আদালতখনৰ কাম-কাজ কামৰূপ মহানগৰ দিলা ছেছন ন্যায়াধীশৰ আদালত চৌহদত খালী হৈ থকা ৩ নম্বৰ আদালতখনতে দ্ৰুত আদালতৰ কাম-কাজ শীঘ্ৰেই আৰম্ভ হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ে কাম-কাজ আৰম্ভ কৰাৰ স্বাৰ্থত ন্যায়াধীশ শৰ্মিলা ভূঞাক আদালতখনৰ দায়িত্ব গ্ৰহণৰ বাবে বাক্সাৰ পৰা গুৱাহাটীলৈ বদলিৰ কৰিছে। ন্যায়াধীশগৰাকীক ৩০ মাৰ্চৰ পূৰ্বে গুৱাহাটীত যোগদানৰ বাবে নিৰ্দেশ দিয়া হৈছে। ন্যায়াধীশ ভূঞাই যোগদান কৰাৰ পাছত আদালতখনৰ কাম-কাজ আৰম্ভ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহত নিৰ্বাচনী বাতৰিকে ধৰি ভিন ভিন বাতৰি প্ৰকাশ পাইছে। **অসমীয়া প্ৰতিদিন** কাকতে গুৱাহাটীত গৃহমন্ত্ৰী অমিত শ্বাহৰ বিশাল ৰোড শ্ব'ৰ এটা বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। এই একেখন কাকততে যোৰহাটত কালি ৰহস্যজনক বিস্ফোৰণত শিশুসহ দুজন লোকৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতেও যোৰহাটত ৰহস্যজনক বিস্ফোৰণৰ বাতৰি প্ৰকাশ কৰিছে। ভূ-গৰ্ভৰ ৭০০ কিলোমিটাৰ গভীৰত বিশাল সমুদ্ৰৰ অৱস্থিতিৰ কথা ব্ৰুক হেভেন নেচনেল লেব'ৰেটৰীৰ আলোকসন্ধানী গৱেষণাত প্ৰকাশ পোৱা এই বাতৰি **দৈনিক অসম কাকতে** বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বিশিষ্ট গায়ক দ্বীপেন বৰুৱা আৰু অভিনেতা তথা নাট্যকৰ্মী, নাট্য সংগঠক উপকূল বৰদলৈক কালি **মঘাই- মোহন বঁটা** প্ৰদান কৰা হৈছে। বাতৰিতো **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে। মহাযুদ্ধৰ আশংকা, তেলত ৰেহাই বন্ধ কৰিলে ৰাছিয়াই- শিৰোনামেৰে **আমাৰ অসম** কাকতে দেশত গেছৰ নাটনি সহজে দূৰ নোহোৱাৰ আশংকা প্ৰকাশ কৰি এটা বাতৰি প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতত প্ৰাক্তন কংগ্ৰেছী বিধায়ক প্ৰাণেশ্বৰ বসুমতাৰীৰ চোকা আক্ৰমণত ৪ গৰাকী বিজেপি কৰ্মী আহত হোৱাৰ বাতৰি প্ৰকাশ হৈছে। অসমত এন ডি এ মিত্ৰজোঁটে বিধানসভা নিৰ্বাচনত ৯০ খনতকৈও অধিক আসনত জয়লাভ কৰিব বুলি অমিত শ্বাহৰ মন্তব্যৰে এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে। এই একেটা বাতৰি **অসমীয়া খবৰ** কাকততো প্ৰকাশ পাইছে। আজি অসমত কংগ্ৰেছৰ জ্যেষ্ঠ মলিকাৰ্জুন খাৰ্গে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। **দ্য চেণ্টিনেল** কাকতে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ বিচাৰৰ বাবে গঠন কৰা দ্ৰুত আদালতৰ দায়িত্ব গ্ৰহণৰ বাবে বাক্সাৰ ন্যায়াধীশ শৰ্মিলা ভূঞাক বাক্সাৰ পৰা গুৱাহাটীলৈ বদলি কৰাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বিজুলি-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**